Total No. of Printed Pages—7

HS/XII/A/a/22

2022

ASSAMESE (ELECTIVE)

Full Marks : 100

Time : 3 hours

The figures in the margin indicate full marks for the questions

General Instructions :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

(PART : A—OBJECTIVE)

(*Marks* : 50)

SECTION—I

(*Marks* : 20)

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰে উত্তৰ **এটা** বা **দুটা** শব্দৰে)(যি কোনো **দহটা**) : ১×১০=১০

(ক) অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(খ) 'ৰুবায়ত'ৰ ৰচক কোন?

(গ) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীর্তিস্তম্ভ বুলি ক'লে কোনখন গ্রন্থক জনা যায়?

(ঘ) মাধৱদেৱৰ যি কোনো এখন নাট বা ঝুমুৰাৰ নাম লিখা।

(ঙ) ৰাম সৰস্বতীয়ে ৰচনা কৰা কাব্যসমূহক কি বুলি জনা যায়?

(চ) খটাসুৰক কোনে বধ কৰিছিল?

(ছ) 'মগৰীবৰ আজান' নাটকৰ নাট্যকাৰ কোন?

(জ) মহেশ্বৰ নেওগৰ এখন গ্রন্থৰ নাম লিখা।

(ঝ) মোপাছাঁ কোন দেশৰ সাহিত্যিক?

(ঞ) শংকৰদেৱৰ পিতৃৰ নাম কি আছিল?

(ট) ভট্টদেৱৰ প্রকৃত নাম কি?

(ঠ) 'জোনাকী' আলোচনী কেতিয়া প্রকাশিত হৈছিল?

(ড) অৰুণোদয় যুগৰ এজন সাহিত্যিকৰ নাম লিখা।

(ঢ) শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা ভক্তিতত্ত্বৰ গীতসমূহক কি নামেৰে জনা যায়?

(ণ) দ্রৌপদীৰ আন এটা নাম লিখা।

২। তলৰ খালী ঠাইসমূহ সঠিক শব্দেৰে পূৰণ কৰি উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**): ১×৫=৫

(ক) যতীন্দ্র নাথ দুৱৰাক _____ কবি বুলি জনা যায়।

(খ) সৰস্বতীৰ কৃপা হ'লেও লক্ষ্মী দেৱীৰ _____ দৃষ্টিত অসমীয়াৰ সাহিত্যিক জীৱন লৈলৈ থৈথৈ।

(গ) 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক আছিল _____।

(ঘ) ৰাজাৰ বচনে ভীম গদা হস্তে ধৰি।
জল বিচাৰিয়া গৈল অতি _____ কৰি।

(ঙ) কল্যাণ বনক লাগি _____ চলয়।

(চ) 'ৰামবিজয়' নাট _____ ৰচনা।

(ছ) ঋণং কৃত্বা ঘৃতং _____।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাম আছিল
(কৃপাবৰ বৰবৰুৱা/এখুদ ককাইদেউ/উপন্যাস সম্ৰাট)

(খ) দ্ৰৌপদীক জনা যায়
(যাজ্ঞসেনী/জানকী/মন্থৰা)

(গ) অসমীয়া নাট্য সাহিত্যৰ জনক
(শংকৰদেৱ/মাধৱদেৱ/ভট্টদেৱ)

(ঘ) 'মগৰীবৰ আজান' নাটকৰ নাট্যকাৰ
(ফণী শৰ্মা/সাৰদা বৰদলৈ/অৰুণ শৰ্মা)

(ঙ) ভট্টদেৱৰ এখন গ্ৰন্থ হ'ল

(কথা ভাগৱত/ৰত্নাৱলী/চোৱধৰা)

(চ) 'অৰুণোদয়' প্ৰকাশিত হৈছিল

(শিৱসাগৱৰ পৰা/যোৱহাটৰ পৰা/ডিব্ৰুগড়ৰ পৰা)

(ছ) অসমীয়া প্ৰথম ৰোমাণ্টিক কবিতা

(বনকুঁৱৰী/প্ৰিয়তমাৰ চিঠি/নিয়ৰ)

(জ) হেমচন্দ্ৰ গোস্বামীৰ ছনেট আছিল

(প্ৰিয়তমাৰ চিঠি/ৰূপালীম/কথা-কবিতা)

SECTION—II

(*Marks* : 30)

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**পাঁচ-ছয়** শাৰীত): ৩×১০=৩০

(ক) যতীন্দ্ৰনাথ দুৱৰাৰ তিনিখন কবিতাপুথিৰ নাম লিখা। ৩

(খ) 'আৰ্ট ফৰ লাইফ চেক' বুলিলে কি বুজা? ৩

(গ) 'অৰুণোদয়' কোনে, কেতিয়া আৰু ক'ৰ পৰা প্ৰকাশ কৰিছিল? ১+১+১=৩

(ঘ) ঝুমুৰা বুলিলে কি বুজা? ৩

(ঙ) মাধৱদেৱৰ ৰৰগীতৰ সংখ্যা কিমান? ৰৰগীতৰ দুটা বৈশিষ্ট্য লিখা। ১+২=৩

(চ) খটাসুৰক কোনে, কেনেকৈ বধ কৰিছিল? ১+২=৩

(ছ) ৰাম সৰস্বতী কোন যুগৰ কবি? তেওঁৰ ৰচনা কৰা কাব্যসমূহক প্রধানকৈ কি নামেৰে জনা যায়? যি কোনো এখন বধকাব্যৰ উদাহৰণ দিয়া।
১+১+১=৩

(জ) 'মগৰীবৰ আজান' নাটকত কৰিম কিয় অগ্নিদগ্ধ হ'বলগীয়া হৈছিল? ৩

(ঝ) উপন্যাসৰ তিনিটা উপাদান লিখা। ৩

(ঞ) আনন্দৰাম ঢেকীয়াল ফুকনৰ বিষয়ে চমুকৈ লিখা। ৩

(ট) ওমৰৰ শেষ বিশ্রামৰ ঠাই ক'ত আৰু কেনেকুৱা আছিল? ১+২=৩

(ঠ) ললিত কলা আৰু নিম্ন কলাৰ মাজত থকা পার্থক্য লিখা। ৩

(ড) চন্দ্রকুমাৰ আগৰৱালাৰ তিনিখন কবিতাপুথিৰ নাম লিখা। ৩

(ঢ) অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদানৰ তিনিটা উদাহৰণ দিয়া। ৩

(ণ) শংকৰদেৱে প্রৱর্তন কৰা নৱবৈষ্ণৱ ধর্মৰ তিনিটা বৈশিষ্ট্য লিখা। ৩

(PART : B—DESCRIPTIVE)

(*Marks* : 50)

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি'ৰ সম্বন্ধ কি, আলোচনা কৰা। ১০

(খ) 'মাধৱদেৱৰ ৰচনাত ভক্তিৰস' এই শীৰ্ষক এটি টোকা লিখা। ১০

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ খায়াম' অথবা 'ওমৰ তীৰ্থ' পুথিখনৰ বিষয়ে লিখা। ১০

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) বধকাব্য বুলিলে কি বুজা? ইয়াৰ বৈশিষ্ট্যসমূহ লিখা। ৪+৬=১০

(খ) খটাসুৰ কোন? তেওঁ কাৰ পৰা বৰ লাভ কৰিছিল? খটাসুৰৰ দৈহিক আকৃতিৰ বৰ্ণনা দিয়া। ১+১+৮=১০

(গ) 'খটাসুৰ বধ'ৰ উপকাহিনীটো লিখা। এই কাহিনীটোৰ প্ৰয়োজনীয়তাৰ বিষয়ে তোমাৰ মন্তব্য আগবঢ়োৱা। ৮+২=১০

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'মগৰীবৰ আজান' নাটকৰ কাহিনীটো নিজৰ ভাষাৰে লিখা। ১০

(খ) 'মগৰীবৰ আজান' নাটকৰ এটা পুৰুষ আৰু এটা নাৰী চৰিত্ৰৰ বিশ্লেষণ কৰা। ৫+৫=১০

(গ) 'মগৰীবৰ আজান' নাটকত বৰ্ণিত গাঁৱলীয়া পঢ়াশালিৰ এটি বৰ্ণনা আগবঢ়োৱা। ১০

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) অসমীয়া সাহিত্যলৈ জোনাকীৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(খ) 'শংকৰদেৱৰ অংকীয়া নাট' এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱা।

(গ) ভট্টদেৱৰ গদ্যশৈলীৰ বৈশিষ্ট্য আলোচনা কৰা।

৯। তলৰ যি কোনো **চাৰিটাৰ** বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

এ. কে. গার্নি ; যুধিষ্ঠিৰ ; নামঘোষা ; নহুষ ৰজা; নিহাৰ ; ৰাম সৰস্বতী ; চুটিগল্প ; ৰোমাণ্টিক কবিতা।

★★★